জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১১৩/২০১৯

অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কক চাহৰ গুণগত মান সম্পৰ্কে ব্লক পৰ্যায়লৈকে প্ৰশিক্ষণৰ কাৰ্যসূচী ‘মিছন আসাম কুৱালী-টি’ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

ক্ষুদ্ৰ চাহ খেতিয়কসকলক নতুন পুলি ৰোপন আঁচনিৰ অনুদানৰ চেক মুখ্যমন্ত্ৰীৰ দ্বাৰা বিতৰণ

গুণগত মান সম্পন্ন চাহ উৎপাদনেৰে বিশ্ব বজাৰত অসমৰ চাহৰ সুনাম অক্ষুণ্ণ ৰখাৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ ক্ষুদ্ৰ চাহ খেতিকসকলক মুখ্যমন্ত্ৰীৰ আহ্বান

দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি যোৰহাটস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ ড° মাধৱচন্দ্ৰ দাস প্ৰেক্ষাগৃহত টোকলাই চাহ গৱেষণা কেন্দ্ৰ আৰু চাহ সঞ্চালকালয় তথা ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ উদ্যোগত আয়োজিত অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কক গুণগত মান সম্পৰ্কে ৰাজ্যখনৰ ১০১ টা ব্লক পৰ্যায়লৈকে ‘মিছন আসাম কুৱালি-টি’ শীৰ্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰাৰ উপৰি অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলক নতুন পুলি ৰোপন আঁচনি - ২০১৮-১৯ বৰ্ষৰ অধীনত উদ্‌গণিমূলক পুঁজিৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে।

উল্লেখ্য যে ২০১৬-১৭ বৰ্ষৰ বাজেট ঘোষণা অনুসৰি ক্ষুদ্ৰ চাহ খেতিয়কসকলক নতুন পুলি ৰোপনৰ দিশত উৎসাহিত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰতি বিঘাত ৫ হাজাৰ টকাকৈ সৰ্বোচ্চ ২০ বিঘা ভূমিলৈ অনুদান আগবঢ়াই আহিছে। প্ৰথম পৰ্যায়ত ২০১৮-১৯ বৰ্ষলৈ ১৭ কোটি টকা পুঁজিৰে ইতিমধ্যে ৰাজ্যখনৰ ৩৩৯৭ গৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক উপকৃত হৈছে। দ্বিতীয় পৰ্যায়ত আজি শুভাৰম্ভ কৰা এই আঁচনিৰ জৰিয়তে সৰ্বমুঠ ১০১৯ গৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক উপকৃত হ’ব। ইয়াৰ বাবে সৰ্বমুঠ ৩ কোটি ৪৭ লাখ ৭৫ হাজাৰ টকা ব্যয় হ’ব। তদুপৰি আৰু প্ৰায় ৩ কোটি ৩২ লাখ টকা ব্যয়ৰে আৰু অধিক ক্ষুদ্ৰ চাহ খেতিয়কক এই আঁচনিৰ জৰিয়তে উপকৃত কৰাৰ পদক্ষেপ লৈ থকা হৈছে। আজি শুভাৰম্ভ কৰা ‘মিছন আসাম কুৱালী-টি’ শীৰ্ষক খণ্ড পৰ্যায়লৈকে প্ৰশিক্ষণ প্ৰক্ৰিয়াৰ জৰিয়তে ক্ষুদ্ৰ চাহ খেতিয়কসকলক গুণগত মান সম্পন্ন চাহ উৎপাদনৰ দিশত টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হ’ব।

এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানত বক্তব্য ৰাখি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ২০১৬ বৰ্ষৰ ২৪ মে’ তাৰিখে শপত গ্ৰহণ কৰা বৰ্তমানৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে শপত গ্ৰহণৰ দিনৰে পৰা ৰাজ্যখনৰ ৩৩ খন জিলাৰ সম-উন্নয়ন আৰু সম-বিকাশৰ বাবে ৰাইজক আস্থাত লৈ মিলিত প্ৰচেষ্টাৰে কাম-কাজ চলাই আহিছে। ৰাজ্যখনক ভাৰতৰ ভিতৰতে এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰিব লাগিলে সকলোৱে মিলিত প্ৰচেষ্টাৰে আগবাঢ়িব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ক্ষুদ্ৰ চাহ

খেতিয়কসকলক গুণগত মান সম্পন্ন চাহ উৎপাদনেৰে বিশ্বৰ বজাৰ দখলেৰে চাহ উদ্যোগৰ পূৰ্বৰে পৰা থকা সুনাম অক্ষুণ্ণ ৰখাৰ বাবে অহোপুৰুষাৰ্থ কৰাৰ আহ্বান জনায়। ৰাজ্যখনৰ ২০০ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ চাহ উদ্যোগ বৰ্তমান যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে ক্ষুদ্ৰ চাহ খেতিয়ক সকলক বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োগেৰে উৎপাদন বৃদ্ধিৰ লগতে মান-সম্পন্ন চাহপাত উৎপাদনৰ দিশত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্রীয়ে ৭৮ হাজাৰ বৰ্গ কিলোমিটাৰ তথা ৩৩ খন জিলাৰ ভৌগোলিক পৰিসীমাৰে পৰিৱেষ্টিত অসমৰ চাৰিসীমাৰ ভিতৰতে তেওঁলোকৰ কৰ্মদক্ষতা আবদ্ধ নাৰাখি বিশ্ব জয়ৰ পৰিকল্পনা কৰাৰ বাবেও ক্ষুদ্ৰ চাহ খেতিয়কসকলক আহ্বান জনায়। অসমৰ জৈৱিক কৃষিৰে উৎপাদিত পাচলি আৰু উদ্যান শস্যই লণ্ডনৰ দৰে বিশ্ব বজাৰ শেহতীয়াকৈ দখল কৰিব পাৰিছে বুলি উল্লেখ কৰি ক্ষুদ্ৰ চাহ খেতিয়কসকলকো জৈৱিক কৃষি পদ্ধতি অৱলম্বনৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈও মুখ্যমন্ত্রীয়ে আহ্বান জনায়। চৰকাৰে ক্ষুদ্ৰ চাহ খেতিয়কসকলক প্ৰতি বিঘাত ১ হাজাৰ টকাৰ প্ৰিমিয়াম আদায়েৰে সৰ্বোচ্চ ২০ বিঘা ভূমি আবন্টনৰ প্ৰক্ৰিয়া, প্ৰতি বিঘা নতুন পুলি ৰোপনৰ বাবে ৫ হাজাৰ টকাকৈ সৰ্বোচ্চ ২০ বিঘালৈকে আৰ্থিক অনুদান, ক্ষুদ্ৰ চাহ খেতিয়ক সস্থাৰ মুখ্য কাৰ্যালয় যোৰহাটত স্থাপনৰ বাবে ১ কোটি টকাৰ অনুদান ইত্যাদি আগবঢ়াইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে অনাগত দিনসমূহতো ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ উত্তৰণৰ দিশত চৰকাৰে বলিষ্ঠ পদক্ষেপ লৈ যাব বুলি কয়। মুখ্যমন্ত্রীয়ে চৰকাৰে আগবঢ়োৱা সা-সুবিধা গ্ৰহণৰ উপৰি ক্ষুদ্ৰ চাহ খেতিয়ক সকলক আত্ম নিৰ্ভৰশীল হোৱাৰ মানসিকতা গঢ়ি তোলাৰ বাবেও আহ্বান জনায়।

অনুষ্ঠানত বক্তব্য ৰাখি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী চন্দ্র মোহন পাটোৱাৰীয়ে পূৰ্বৰ চৰকাৰসমূহে ক্ষুদ্ৰ চাহ খেতিয়কসকলে চলাই অহা সংগ্রামৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালে প্ৰথমবাৰৰ বাবে ক্ষুদ্ৰ চাহ খেতিয়কসকলে ৰাজ্যখনৰ অৰ্থনীতিলৈ আগবঢ়াই অহা অৱদানৰ স্বীকৃতি কল্পে তেওঁলোকৰ উত্তৰণৰ দিশত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে বুলি কয়। ৰাজ্যখনৰ চাহক এক ঐতিহ্যমণ্ডিত উদ্যোগ বুলি উল্লেখ কৰি ইয়াৰ ৪২ শতাংশ উৎপাদন ক্ষুদ্ৰ চাহ খেতিয়কসকলে কৰি আছে। সেয়েহে এই ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ উত্তৰণৰ দিশত পূৰ্বতে প্ৰতি কেজি কেঁচা চাহপাতৰ ওপৰত থকা ২৫ পইচাৰ উপকৰ বৰ্তমানৰ মুখ্যমন্ত্রীৰ নেতৃত্বতে সম্পূৰ্ণভাৱে উঠাই দি এই ক্ষেত্রত ৰাজহ লোকচান হোৱা স্বত্বেও বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে বুলি মন্ত্রী গৰাকীয়ে কয়। মন্ত্রী গৰাকীয়ে ক্ষুদ্ৰ চাহ খেতিয়কসকলক চাহৰ এটি কলি দুটি পাতে বহন কৰা বৈশিষ্ট্য বাহাল ৰাখি গুণগত মান অক্ষুন্ন ৰখাৰ ওপৰটো গুৰুত্ব আৰোপ কৰাৰ বাবে আহ্বান জনায়।

অনুষ্ঠানত বক্তব্য ৰাখি শক্তি বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী তপন কুমাৰ গগৈয়ে ক্ষুদ্ৰ চাহ খেতিয়কসকলক মাটিৰ পট্টা প্ৰদানৰ দিশত পূৰ্বৰ চৰকাৰে গুৰুত্ব দিয়া নাছিল বুলি উল্লেখ কৰি বৰ্তমানৰ চৰকাৰে ১ হাজাৰ টকা মাত্র প্ৰিমিয়াম আদায়েৰে সৰ্বোচ্চ ২০ বিঘা ভূমিলৈকে মাটি আবন্টনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলি কোৱাৰ লগতে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ ফলশ্রুতিত এতিয়া ক্ষুদ্ৰ চাহখেতিয়ক সকলৰ মনোবল বহু পৰিমাণে বৃদ্ধি পাইছে বুলিও কয়।

চাহ সঞ্চালক ৰাণী কাথাৰপীয়ে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ সঞ্চালক অনুপ কুমাৰ বৰুৱা, সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি ৰাজেন বৰা, সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক পৰিষদৰ সভাপতি নাৰায়ন লাহনেও ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বিভিন্ন সমস্যা তথা চৰকাৰে লোৱা পদক্ষেপ সমূহ সামৰি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিধায়কদ্বয় ক্ৰমে যোগেন মোহন, কুশল দুৱৰী, জ্যোতি চিত্ৰবনৰ অধ্যক্ষ পৱিত্ৰ মাৰ্ঘেৰিটা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ৰবি কাপুৰ, টি বোৰ্ড আৰু টোকলাই টি ৰিচার্জ এচোছিয়েশ্যনৰ অধ্যক্ষ পি কে বেজবৰুৱাৰকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

অনুষ্ঠানত মুখ্যমন্ত্রীয়ে 'মিছন আসাম কুৱালী-টি' প্ৰশিক্ষণ কাৰ্যসূচী উপলক্ষে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে দিহা-পৰামৰ্শ সম্বলিত এখন হাতপুথিও আনুষ্ঠানিকভাৱে উন্মোচন কৰে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্রীয়ে ক্ষুদ্ৰ চাহ খেতিয়কসকলক নতুন পুলি ৰোপন আঁচনি -২০১৮-১৯ বৰ্ষৰ অধীনত আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰাৰ উপৰি ৰাজ্য চৰকাৰৰ চাহ সঞ্চালকালয়ৰ দ্বাৰা ৰূপায়িত চাহ উপকৰ প্ৰয়োগ 'সংশোধনী, ২০১৭ আঁচনি'ৰ অধীনত কেঁচা চাহপাত কঢ়িওৱাৰ বাবে ৬ টা ক্ষুদ্ৰ চাহ খেতিয়ক গোটলৈ একোখনকৈ বলেৰো পিকাপ ভান / টাটা এছ গাড়ী ক্ৰয়ৰ ৭৫ শতাংশ অনুদানৰ চেক আগবঢ়ায়। এই আঁচনিৰ অধীনত শিৱসাগৰ জিলাৰ দুটা আত্মসহায়ক গোট আৰু চৰাইদেউ জিলাৰ ৪ টা আত্মসহায়ক গোটে এই অনুদান লাভ কৰিছে। প্ৰায় ২৯ লাখ টকা ব্যয়ৰে ৰূপায়ণ কৰা এই আঁচনিৰ ফলত কেঁচা চাহ পাত নষ্ট হোৱাৰ পৰা ৰক্ষা পৰিব আৰু অঞ্চলটোৰ কেইবাশতাধিক ক্ষুদ্ৰ চাহ খেতিয়ক উপকৃত হ'ব।

বঃভাঃ /
২৭/২/২০১৯